# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৫৭/২০২০

## অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে আৰক্ষী বাহিনীৰ লোকসকলৰ লগতে ক'ভিড-১৯ বিৰোধী অভিযানত প্ৰত্যক্ষভাৱে নিয়োজিত অন্যান্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকললৈও ৰাজ্য চৰকাৰে আগবঢ়াব ৫০ লাখ টকাৰ স্বাস্থ্য বীমা আঁচনিৰ সুবিধা ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৫ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুদ্ধত নিয়োজিত দেশৰ স্বাস্থ্য কৰ্মীসকললৈ আগবঢ়োৱা ৫০ লাখ টকাৰ স্বাস্থ্য বীমা আঁচনিৰ সুবিধাৰ অধীনত অসম চৰকাৰে ৰাজ্যখনৰ আৰক্ষী বাহিনীৰ লোকসকলৰ লগতে ক'ভিড-১৯ বিৰোধী অভিযানত প্ৰত্যক্ষভাৱে নিয়োজিত অন্যান্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলকো সামৰি ল'ব। আজি উলুবাৰীস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয় চৌহদত সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই ঘোষণা কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এক পৰ্যালোচনা বৈঠকত ৰাজ্যখনৰ শেহতীয়া আইন-শৃংখলা পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজত অসম আৰক্ষীয়ে গ্ৰহণ কৰা পদক্ষেপসমূহৰো পৰ্যালোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ ৰ বিৰুদ্ধে এই যুঁজৰ সময়ত অসম আৰক্ষীৰ ভূমিকাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ২১ দিনীয়া লক্-ডাউনৰ এই কাৰ্যসূচী ৰাজ্যখনত সফল ৰূপত ৰূপায়ণ কৰাত অসম আৰক্ষী এক বিশেষ ভূমিকা পালন কৰিছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান সুনিশ্চিতকৰণকে ধৰি ৰাজ্যখনৰ প্ৰতিটো বিভাগৰে কাম-কাজত আৰক্ষীয়ে প্ৰত্যক্ষভাৱে সহযোগিতা আগবঢ়াইছে। নিজৰ কাম-কাজেৰে এই সময়ছোৱাত আৰক্ষী বাহিনীয়ে জনসাধাৰণৰ পৰাও সম্পূৰ্ণ আস্থা আৰু বিশ্বাস অৰ্জন কৰিছে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিগত দিন কেইটাত তেওঁ ব্যক্তিগতভাৱে ৰাজ্যখনৰ ১৯ খনকৈ জিলা ভ্ৰমণ কৰি লক্-ডাউনৰ এই সময়ছোৱাত জনসাধাৰণ আৰু জনসেৱাত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ অপৰিসীম কষ্ট উপলব্ধি কৰিববলৈ সক্ষম হৈছে। ক'ভিড-১৯ ৰ আতংক বিশ্বৰ মানৱ সভ্যতাৰ বাবে এই মূহূৰ্তলৈকে এক উত্তৰবিহীন প্ৰত্যাহ্বান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী আৰু বিচক্ষণ নেতৃত্বত এই প্ৰত্যাহ্বানৰ বিৰুদ্ধে যুঁজত আমি নিশ্চয়কৈ বিজয়ী হ'ব পাৰিম।

মুখ্যমন্ত্ৰীয়ে এই সংকটৰ মূহূৰ্তত ৰাজ্যবাসীক একত্ৰিতভাৱে থিয় দিয়াৰ আহ্বান জনাই কয় যে কৰ'না ভাইৰাছে ৰজা-মহাৰজা, ধনী-দুখীয়া, জাতি-ধৰ্ম-ভাষা আদি একো বাচ-বিচাৰ নকৰে। সেয়েহে, এই পৰিস্থিতিক কোনোপধ্যেই সংকীৰ্ণ অৰ্থৎ মূল্যাংকন নকৰিববলৈ তেওঁ সকলোলৈকে আহ্বান জনায়।

ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তৰ লগতে কেইবাগৰাকীও জ্যেষ্ঠ আৰক্ষী বিষয়াই অংশগ্ৰহণ কৰা এই বৈঠকত তেওঁলোকে ৰাজ্যৰ শেহতীয়া আইন-শৃংখলা পৰিস্থিতিৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰাৰ লগতে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজত আৰক্ষী বিভাগে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ

বিষয়েও ব্যাখ্যা কৰে। তেওঁলোকে মুখ্যমন্ত্ৰীক অৱগত কৰে যে আজি দুপৰীয়া পৰ্যন্ত ৰাজ্যখনত লক্-ডাউন উলংঘনৰ ঘটনাত মুঠ ৪৪৬ টা গোচৰ পঞ্জীয়ন হৈছে আৰু ১০৭৪ গৰাকী ব্যক্তিক আটক কৰা হৈছে। এই সময়ছোৱাত ৪২৯৩ খন যান-বাহন জব্দ কৰাৰ লগতে ১৫,৫৩,৯০০ টকা জৰিমনা সংগ্ৰহ কৰা হৈছে। ৰাজ্যখনত জনসাধাৰণৰ মাজত উৰা-বাতৰি বিয়পোৱা লোকসকলৰ ওপৰতো আৰক্ষীয়ে চোকা নজৰ ৰাখিছে। ছ'চিয়েল মিডিয়াৰ ওপৰত নিৰন্তৰ চকু ৰখা হৈছে আৰু এই পৰ্যন্ত ছ'চিয়াল মিডিয়াত উচটনিমূলক পোষ্ট দিয়া ২০০ টা অভিযোগ আৰক্ষীয়ে লাভ কৰিছে। এই সন্দৰ্ভত ১২ টা গোচৰ পঞ্জীয়ন কৰি ৭ গৰাকী লোকক আটক কৰা হৈছে আৰু ৮০ গৰাকী ব্যক্তিক কাউন্সেলিঙৰ অন্তত যাবলৈ দিয়া হৈছে। ছ'চিয়েল মিডিয়াত দৃষ্টিগোচৰ হোৱা ১২০ টা আপত্তিজনক পোষ্ট আঁতৰাই পেলোৱা হৈছে।

আৰক্ষী বিষয়াসকলে মুখ্যমন্ত্ৰীক অৱগত কৰা অনুসৰি আইন-শৃংখলা ৰক্ষাৰ সমান্তৰালভাৱে অসম আৰক্ষীয়ে ক'ভিড-১৯ বিৰোধী যুঁজত জনসাধাৰণক প্ৰত্যক্ষভাৱেও সহায়-সহযোগিতা আগবঢ়াইছে। এই পৰ্যন্ত অসম আৰক্ষীয়ে ৰাজ্যখনৰ মুঠ ৪৭ টা স্থানত ১৫০০ ৰো অধিক বিশেষ কোৱাৰেনটাইন আসন সাঁজু কৰিছে যাৰ সুবিধা আৰক্ষী কৰ্মীসকলৰ লগতে সাধাৰণ ৰাইজেও লাভ কৰিছে। এই শিৰিৰসমূহত ১৬ গৰাকী চিকিৎসক, ১৭ গৰাকী নাৰ্ছ, ১০ গৰাকী মিডৱাইফ আৰু ৩৪০ গৰাকী পুলিচ নাৰ্ছিং ষ্টাফ নিয়োজিত কৰা হৈছে। আৰক্ষী বাহিনীৰ লোকসকলৰ লগতে জনসাধাৰণৰ সহায়ক হোৱাকৈ অসম আৰক্ষীয়ে এতিয়ালৈকে ৫০ হাজাৰ টা ছেনিটাইজাৰ বটল, ৩০ হাজাৰ টা সাধাৰণ মাস্ক, ২ হাজাৰ এন-৯৫ মাস্ক, বৃহৎ পৰিমাণৰ ব্লিচিং পাউডাৰৰ দৰে বীজাণুনাশক সামগ্ৰী, ৫০০ টা স্প্ৰে' মেচিন সাঁজু কৰি ৰাখিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত নিয়োজিত আৰক্ষী বাহিনীৰ লোকসকলৰ মনোবল বৃদ্ধিৰ বাবেও বিশেষ পদক্ষেপ লোৱা হৈছে বুলি আজিৰ বৈঠকত আৰক্ষী সঞ্চালকপ্ৰধান গৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, বিধায়ক বিমল বৰাৰ লগতে অসম আৰক্ষীৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সন্ধিয়া মহানগৰীৰ উলুবাৰী উৰণীয়া সেঁতুৰ তলত উপস্থিত হৈ সেই স্থানত কৰ্তব্যত নিয়োজিত কেইবাগৰাকীও আৰক্ষী কৰ্মীৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ কৰ্তব্য নিষ্ঠাৰ শলাগ লোৱাৰ লগতে কৰ্ম ক্ষেত্ৰত তেওঁলোকে সন্মুখীন হোৱা অভাৱ-অভিযোগৰো বুজ লয়।

**প্ৰঃকুঃবঃ**
**০৫/০৪/২০২০**